NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-07-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। রাজ্যসভাৰ কাৰ্য্যক্ৰমণিকা অনিৰ্দিষ্ট কালৰ বাবে স্থগিত ৰখা হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, চৰকাৰে মণিপুৰৰ পৰিস্থিতি সুচল কৰি তোলাৰ বাবে অহৰহ প্ৰয়াস চলাই আছে।

৩। ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে সদনত বিৰোধী পক্ষৰ আচৰণক লৈ অসন্তুষ্টি প্ৰকাশ কৰিছে।

*আৰু*

৪। দিল্লীৰ ৰাউজ এভিনিউ আদালতে আজি আৱকাৰী নীতি সম্পৰ্কীয় ক'লা ধন বৈধকৰণৰ গোচৰত মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ ন্যায়িক জিম্মাৰ ম্যাদ ১২ জুলাইলৈ বৃদ্ধি কৰে।

০০০০০০০০০

ৰাজ্যসভাৰ কাৰ্য্যক্ৰমণিকা অনিৰ্দিষ্ট কালৰ বাবে স্থগিত ৰখা হৈছে। উচ্চ সদনে ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ গ্ৰহণ কৰাৰ পাছত সভাপতি জগদীপ ধনখড়ে আজি এই সম্পৰ্কে ঘোষণা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যসভাত ২৬৪ সংখ্যক অধিৱেশনৰ সামৰণি পৰাৰ পাছত সংসদ ভৱনত উপ-ৰাষ্ট্ৰপতি তথা উচ্চ সদনৰ সভাপতি জগদীপ ধনখড়ক সাক্ষাৎ কৰে। সাক্ষাৎ কালত ৰাজ্যসভাৰ নেতা জে পি নাড্ডা, কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী আৰু সাংসদ উপস্থিত থাকে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, চৰকাৰে মণিপুৰৰ পৰিস্থিতি সুচল কৰি তোলাৰ বাবে অহৰহ প্ৰয়াস চলাই আছে। ৰাজ্যসভাত আজি সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দিয়া ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সম্পৰ্কে আলোচনাৰ উত্তৰ দি প্ৰধানমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে মণিপুৰত শান্তি-সম্প্ৰীতি সুনিশ্চিত কৰাৰ বাবে সকলো পক্ষৰ সৈতে আলোচনা চলাই আছে। গৃহ মন্ত্ৰীয়ে মণিপুৰলৈ গৈ নিজে শান্তি প্ৰচেষ্টাত নেতৃত্ব দিছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ কয় যে, সমস্যাৰ সমাধানসূত্ৰ উলিওৱাৰ লগতে শান্তি সুনিশ্চিত কৰাৰ কামত জ্যেষ্ঠ বিষয়াসকলকো

নিয়োগ কৰা হৈছে। তেওঁ লগতে কয় যে, মণিপুৰৰ হিংসাত্মক ঘটনা ক্ৰমাৎ হ্ৰাস পোৱাৰ কথা আমি স্বীকাৰ কৰিবই লাগিব। মণিপুৰত বিদ্যালয়, মহাবিদ্যালয়, কাৰ্য্যালয় আৰু অন্য প্ৰতিষ্ঠানসমূহে স্বাভাৱিকভাৱে কাম কৰি আছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে মণিপুৰৰ সাম্প্ৰতিক বানক লৈও উদ্বেগ প্ৰকাশ কৰে। তেওঁ কয় যে, এন ডি আৰ এফৰ দুটা দল বান সাহায্যৰ কামত নিয়োগ কৰা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰৰ সৈতে ঘনিষ্ঠ সহযোগিতাৰে কাম কৰি আছে।

ৰাজ্যসভাত ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ আলোচনাৰ উত্তৰ দি প্ৰধানমন্ত্ৰীয়ে কংগ্ৰেছক দলটোক সংবিধানৰ সবাতোকৈ ডাঙৰ বিৰোধী আখ্যা দিছে। শ্ৰীমোদীয়ে কংগ্ৰেছৰ মানসিকতাই অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ বিৰোধিতাৰ বুলি অভিযোগ তোলে। প্ৰধান বিৰোধী দলটোৱে প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোৱিন্দক অপমান কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে, দলটোৱে ৰাষ্ট্ৰপতি মুৰ্মুকো অপমান কৰাৰ সুযোগ বিচাৰি ফুৰে।

তেওঁ কয় যে, ভাৰতীয় সংবিধানখন কেৱল কেইটামান অনুচ্ছেদৰ সমষ্টিয়েই নহয়, বৰঞ্চ ইয়াৰ মাজত নিহিত হৈ থকা প্ৰাণচঞ্চলতা আৰু শব্দসমূহ চৰকাৰৰ বাবে অতিশয় মূল্যৱান। প্ৰধানমন্ত্ৰীগৰাকীয়ে সংবিধানখনক চৰকাৰখনক পথ নিৰ্দেশনা প্ৰদান কৰিব পৰাকৈ এটা আলোকস্তম্ভ বুলি অভিহিত কৰে।

বাবাছাহেব ভীমৰাও আম্বেদকাৰৰ অৱদানসমূহৰ শলাগ লৈ তেওঁ কয় যে, দেশৰ সংবিধানে সম্প্ৰতি ৭৫ বছৰ পূৰ কৰাৰ দিশে অগ্ৰসৰ হৈছে। নিজৰ বক্তব্যত শ্ৰীমোদীয়ে সম্প্ৰতি জনসাধাৰণৰ উৎসৱত পৰিণত হোৱা সংবিধান দিৱস উদযাপনৰ বিৰোধিতা কৰা সকলৰ সমালোচনাত সৰৱ হৈ পৰে। এন ডি এ চৰকাৰৰ তৃতীয় কাৰ্য্যকালৰ ভৱিষ্যৎ পৰিকল্পনা সন্দৰ্ভত শ্ৰীমোদীয়ে কয় যে, দৰিদ্ৰতাৰ বিৰুদ্ধে যুঁজ চৰকাৰৰ মুখ্য কাৰ্য্যসূচী হ'ব আৰু তৃতীয় কাৰ্য্যকালত দেশ এই সমস্যাৰ বিৰুদ্ধে বিজয়ী হ'ব। শ্ৰীমোদীয়ে কয় যে, কল্যাণমূলক আঁচনিৰ গতিৰ গভীৰতা আৰু সম্প্ৰসাৰণ চৰকাৰৰ মুখ্য অগ্ৰাধিকাৰ হ'ব। চৰকাৰ ইয়াৰ তৃতীয় কাৰ্য্যকালত দেশক বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰূপে গঢ়ি তুলিবলৈ বদ্ধপৰিকৰ বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে, পৰৱৰ্তী ৫ বছৰত ৰাজহুৱা পৰিবহণ ব্যৱস্থাত আমূল পৰিৱৰ্তন দেখিবলৈ পোৱা যাব। শ্ৰীমোদীয়ে কয় যে, প্ৰধানমন্ত্ৰী কিষাণ সন্মান যোজনাৰ অধীনত ১০ কোটিৰো অধিক কৃষক উপকৃত হৈছে আৰু যোৱা ছটা বছৰত খেতিয়কসকলক ৩ লাখ কোটি টকা প্ৰদান কৰা হৈছে। কোৱিড মহামাৰীৰ ফলত উদ্ভৱ হোৱা প্ৰত্যাহ্বান সত্ত্বেও দেশৰ অৰ্থব্যৱস্থা দশম স্থানৰ পৰা পঞ্চম স্থানলৈ উন্নীত হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, জনসাধাৰণে বৰ্তমান চৰকাৰে বিগত ১০ বছৰত কৰা কামৰ প্ৰতি সমৰ্থন আগবঢ়াইছে আৰু তেওঁলোকে প্ৰদৰ্শনক বাছি লৈছে। ছটা দশকৰ পাছত জনসাধাৰণে কোনো এখন চৰকাৰক একেৰাহে তৃতীয়বাৰৰ বাবে বাছনি কৰা বুলিও শ্ৰীমোদীয়ে মন্তব্য কৰে। দুৰ্নীতি সন্দৰ্ভত শ্ৰীমোদীয়ে কয় যে, কেন্দ্ৰীয় সংস্থাসমূহক উৎকোচৰ গোচৰৰ ক্ষেত্ৰত পূৰ্ণ স্বাধীনতা প্ৰদান কৰা হৈছে।

প্ৰধানমন্ত্ৰীয়ে বক্তব্য প্ৰকাশ কৰা সময়ত কংগ্ৰেছ, ডি এম কে, টি এম চি, আম আদমী পাৰ্টি আৰু আন বিৰোধী দলৰ সদস্যসকল সদনৰ মজিয়ালৈ উঠি আহি হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰাত সভাপতি জগদীপ ধনখড়ে তেঁওলোকক নিজ নিজ আসনলৈ উভতি যাবলৈ আহ্বান জনায়। ইয়াৰ পাছত বিৰোধী সাংসদসকলে সদন ত্যাগ কৰে। বিৰোধীৰ সদন ত্যাগৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰীয়ে, তেওঁলোকৰ নিজে উত্থাপন কৰা প্ৰশ্নৰ

উত্তৰ শুনিবলৈ সাহস নাই বুলি মত প্ৰকাশ কৰি এই কাৰ্যক তেওঁ উচ্চ সদনৰ প্ৰতি অৱজ্ঞা বুলি অভিহিত কৰে। আনহাতে ৰাজ্যসভাৰ সভাপতিগৰাকীয়েও বিৰোধী পক্ষই সদন ত্যাগ কৰা কাৰ্যক লৈ অসন্তুষ্টি ব্যক্ত কৰে।

ইয়াৰ পূৰ্বে আজি পুৱা সদন মিলিত হোৱাৰ সময়ত ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱক লৈ আলোচনা আৰম্ভ হোৱাৰ পাছতেই ইউ পি পি এল দলৰ সাংসদ ৰণগৌৰা নাৰ্জাৰীয়ে এক্ট ইষ্ট পলিচিৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে, চৰকাৰৰ এই নীতিয়ে উত্তৰ-পূৰ্বাঞ্চললৈ শান্তি কঢ়িয়াই আনিব। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যখনে ব্যাপক হাৰত উন্নয়নৰ মুখ দেখিছে বুলিও তেওঁ লগতে মত প্ৰকাশ কৰে।

আনহাতে সদনত আজি উত্তৰ প্ৰদেশৰ হাথৰছত কালি পদপিষ্ট হৈ প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। সভাপতি জগদীপ ধনখড়ে এই ঘটনাক অতিশয় দুখজনক আৰু দুৰ্ভাগ্যজনক বুলি আখ্যা দিয়ে। বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জন খাৰ্গেই এনে ঘটনা প্ৰতিহিত কৰাৰ বাবে আইন প্ৰণয়নৰ পোষকতা কৰে।

ooooooooo

ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে আজি সংসদৰ অধিৱেশনৰ সামৰণিৰ পাছত বিৰোধী পক্ষৰ আচৰণক লৈ অসন্তুষ্টি প্ৰকাশ কৰে। অধিৱেশনৰ অন্তত দিয়া বিবৃতিত শ্ৰীধনখড়ে বিৰোধী পক্ষৰ নেতাগৰাকী সদনৰ মজিয়ালৈ উঠি যোৱা কাৰ্য্যক সংসদীয় আচৰণ আৰু গৰিমাৰ অপমান বুলি অভিহিত কৰে। সংসদক আলাপ-আলোচনা আৰু বিতৰ্কৰ মন্দিৰ বুলি আখ্যা দি শ্ৰীধনখড়ে কয় যে, তেওঁ সাংসদসকলে নিজৰ আচৰণেৰে নিদৰ্শন দাঙি ধৰা উচিত। শ্ৰীধনখড়ে লগতে ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সম্পৰ্কীয় আলোচনাত প্ৰথমবাৰৰ বাবে ভাগ লোৱা ১৯ গৰাকী নৱ-নিৰ্বাচিত সাংসদসহ মুঠ ৭৬ গৰাকী সদস্যই অংশ লোৱা বুলি প্ৰকাশ কৰে।

ooooooooo

উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে আজি হাথৰছ চৰকাৰী চিকিৎসালয়ত পদপৃষ্টৰ ঘটনাৰ বলি হোৱা লোকসকলক সাক্ষাৎ কৰে আৰু মুখ্য সচিব মনোজ কুমাৰ সিং আৰু মন্ত্ৰীসকলৰ সৈতে পৰ্য্যালোচনা বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে পদপৃষ্ট হোৱা ঠায়ো পৰিদৰ্শন কৰে। কালি সংঘটিত এই ঘটনাত ১২১ জন লোকে প্ৰাণ হেৰুৱাইছে। ইয়াৰে ভিতৰত ছজন অন্য ৰাজ্যৰ লোকো আছে। এই ঘটনাত আহত ৩১ জন লোক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে আৰু তেওঁলোকৰ প্ৰায় আটায়ে বিপদমুক্ত বুলি কোৱা হৈছে।

ooooooooo

দিল্লীৰ ৰাউজ এভিনিউ আদালতে আজি আৱকাৰী নীতি সম্পৰ্কীয় ক'লা ধন বৈধকৰণৰ গোচৰত মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ ন্যায়িক জিম্মাৰ ম্যাদ ১২ জুলাইলৈ বৃদ্ধি কৰে। ন্যায়ালয়ে এই একেটা গোচৰত দিল্লীৰ প্ৰাক্তন উপ মুখ্যমন্ত্ৰী মণীষ ছিছ'ডিয়া আৰু বি আৰ এছৰ বিধায়ক কে কবিতাৰ ন্যায়িক জিম্মাৰ ম্যাদো ২৫ জুলাইলৈ বৃদ্ধি কৰিছে। চি বি আয়ে ২৬ জুলাইত তিহাৰ কেন্দ্ৰীয় কাৰাগাৰৰ পৰা কেজৰিৱালক গ্ৰেপ্তাৰ

কৰিছিল। শ্ৰীকেজৰিৱালে তেওঁক গ্ৰেপ্তাৰ কৰা কাৰ্য্যক প্ৰত্যাহ্বান জনাই ইতিমধ্যে ন্যায়ালয়ৰ কাষ চাপিছে। তেওঁৰ এই আবেদন ন্যায়ালয়ৰ বিচাৰাধীন হৈ আছে।

০০০০০০০০০

ঝাৰখণ্ড মুক্তি মৰ্চাৰ কাৰ্য্যবাহী সভাপতি হেমন্ত চোৰেণ পুনৰ ঝাৰখণ্ডৰ ক্ষমতাৰ বাঘজৰী ল'বলৈ সাজু হৈছে। আজি অনুষ্ঠিত আই এন ডি আই মিত্ৰজোটৰ জে জে এম, কংগ্ৰেছ আৰু আৰ জে ডিৰ বিধায়কসকলৰ বৈঠকত হেমন্ত চোৰেণক ৰাজ্যখনৰ মুখ্যমন্ত্ৰীৰ আসনত অধিষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। মুখ্যমন্ত্ৰী চম্পই চোৰেণৰ ৰাঁচীৰ বাসগৃহত অনুষ্ঠিত বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিধি বলবৎকাৰী সঞ্চালকালয়ে ৩১ জানুৱাৰীত ক'লা ধন বৈধকৰণৰ গোচৰত গ্ৰেপ্তাৰ কৰাৰ পাছত হেমন্ত চোৰেণে মুখ্যমন্ত্ৰীৰ পদ ত্যাগ কৰিছিল।

০০০০০০০০০

মেঘালয়ৰ ওমৰয়ৰ বিদেশী প্ৰশিক্ষণ কেন্দ্ৰত আজি ভাৰত-মংগোলীয়া যুটীয়া সামৰিক অনুশীলন Nomadic Elephant অৰ্থাৎ যাযাবৰী হস্তীৰ ষষ্ঠদশ সংস্কৰণ আৰম্ভ হয়। চলিত মাহৰ ৩ তাৰিখৰ পৰা ১৬ তাৰিখলৈ চলিবলগীয়া এই অনুশীলনত ভাৰতৰ ছিকিম স্কাউট আৰু অন্যান্য সেনাৰ ৪৫ জন জোৱান আৰু মংগোলীয়াৰ সেনাৰ ১৫০ জন জোৱানে অংশ গ্ৰহণ কৰিছে।

এই বাৰ্ষিক প্ৰশিক্ষণ অনুষ্ঠান ভাৰত আৰু মংগোলীয়াৰ মাজত পৰ্য্যায়ক্ৰমে অনুষ্ঠিত হয়। ইয়াৰ আগৰ সংস্কৰণটো ২০২৩ চনৰ জুলাই মাহত মংগোলীয়াত অনুষ্ঠিত হৈছিল। উদ্বোধনী অনুষ্ঠানত ভাৰতত থকা মংগোলীয়াৰ ৰাষ্ট্ৰদূত দম্বাজাব্যন গানবল্ড আৰু ভাৰতীয় সেনাৰ মেজৰ জেনেৰেল প্ৰসন্ন যোশী উপস্থিত আছিল। এই অনুশীলনৰ লক্ষ্য হৈছে উপ-নগৰীয় আৰু পাহাৰীয়া অঞ্চলৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰাষ্ট্ৰসংঘৰ নিৰ্দেশ অনুসৰি উগ্ৰপন্থী বিৰোধী অভিযানৰ বাবে যৌথ সামৰিক সামৰ্থ্য বৃদ্ধি কৰা।

০০০০০০০০০

সমাপ্ত